**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ডুবাইৰ যুৱৰাজ তথা ইউ এ ইৰ উপ-প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰী শ্বেখ হমদান বিন মহম্মদ অল মকটুমক সাক্ষাৎ কৰে।

২। ভাৰত আৰু ইজৰাইলে কৃষি খণ্ডত দ্বিপাক্ষিক সহযোগিতা সম্পৰ্কীয় কেইবাখনো চুক্তিত স্বাক্ষৰ কৰিছে।

৩। কেন্দ্ৰীয় ইলেক্‌ট্ৰণিকছ্‌ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বৈদ্যুতিন যন্ত্ৰাংশ উৎপাদন আঁচনিৰ অধিসূচনা আজি জাৰি কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

৪। ষোড়শ বিত্ত আয়োগৰ এটা উচ্চ পৰ্য্যায়ৰ দলে আজি অৰুণাচল প্ৰদেশ চৰকাৰ আৰু সংশ্লিষ্ট পক্ষসমূহৰ সৈতে এলানি বিশদ আলোচনাত মিলিত হয়।

***আৰু***

৫ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, পঞ্জাৱ কিংছৰ মুখামুখি হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ডুবাইৰ যুৱৰাজ তথা সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, ইউ এ ইৰ উপ-প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰী শ্বেখ হমদান বিন মহম্মদ অল মকটুমক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে ভাৰত-ইউ এ ই সৰ্বাত্মক কৌশলগত সহযোগিতা আগুৱাই নিয়াৰ ক্ষেত্ৰত ডুবাইয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ কয়, যে যুৱৰাজ গৰাকীৰ এই বিশেষ ভ্ৰমণে ভাৰত আৰু ইউ এ ইৰ মাজৰ ঘনিষ্ঠ মিত্ৰতাক প্ৰতিফলিত কৰিছে আৰু ভৱিষ্যতে অধিক শক্তিশালী সমন্বয়ৰ পথ প্ৰশস্ত কৰিছে। ইয়াৰ পূৰ্বে অভ্যাগত যুৱৰাজগৰাকীয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত ড০ এছ্‌ জয়শংকৰে সামাজিক মাধ্যমযোগে ব্যাপক সহযোগিতা আৰু উভয় ৰাষ্ট্ৰৰ মাজৰ সক্ৰিয় সম্বন্ধৰ বিষয়ে প্ৰদৰ্শন কৰা ইতিবাচক ভাৱধাৰাৰ বাবে যুৱৰাজগৰাকীৰ ভূয়সী প্ৰশংসা কৰে। ইপিনে, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমাকটুমৰ সৈতে হোৱা বৈঠকক ফলপ্ৰসূ বুলি অভিহিত কৰে। তেওঁ কয়, যে হৈউ এ ইৰ সৈতে সৰ্বাত্মক

কৌশলগত সহযোগিতা ভাৰতৰ বাবে অগ্ৰাধিকাৰৰ বিষয়। তেওঁ কয়, যে অনাগত সময়ত প্ৰতিৰক্ষা সহযোগিতা, সহ-উৎপাদন আৰু সহ-উন্নয়ন প্ৰকল্পৰ লেখিয়া ক্ষেত্ৰসমূহত ঘনিষ্ঠ সহযোগিতাৰে কাম কৰিবলৈ ভাৰত আগ্ৰহী। অঞ্চলটোৰ শান্তি আৰু সমৃদ্ধিৰ হকে কাম কৰিবলৈ ভাৰত আৰু ইউ এ ই প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ডুবাইৰ যুৱৰাজগৰাকী আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্য মন্ত্ৰী সুৰেশ গোপীয়ে বিমান বন্দৰত তেওঁক আদৰণি জনায়। তেওঁ হৈছে ডুবাইৰ যুৱৰাজগৰাকীৰ প্ৰথম বাৰত ভ্ৰমণ। তেওঁৰ সৈতে কেইবাগৰাকীও মন্ত্ৰী, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু ব্যৱসায়ীসকলৰ এটা উচ্চ পৰ্য্যায়ৰ প্ৰতিনিধি দলো ভাৰতলৈ আহিছে। সন্ধিয়াৰ ভাগলৈ যুৱৰাজগৰাকী মুম্বাইলৈ বুলি ৰাওনা হ'ব। তাত তেওঁ দুয়োখন দেশৰ আগশাৰীৰ ব্যৱসায়ীসকলৰ সৈতে এখন ব্যৱসায়িক ঘূৰণীয়া মেজমেলত মিলিত হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি তেওঁৰ পৰ্টুগাল ভ্ৰমণৰ দ্বিতীয় তথা অন্তিম দিনা দেশখনৰ সদনৰ অধ্যক্ষ জোজে পেড্ৰ' এগুয়াৰ ব্ৰাংকোৰ সৈতে এখন প্ৰতিনিধি পৰ্য্যায়ৰ বৈঠকত মিলিত হয়। পৰ্টুগালৰ সদন এচেম্বলিয়া দা ৰিপাব্লিকাত আজি শ্ৰীমতী মুৰ্মুক গাৰ্ড অৱ অনাৰ প্ৰদান কৰা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জানিবলৈ দিয়া অনুসৰি, প্ৰতিনিধি পৰ্য্যায়ৰ বৈঠকখনত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ সম্পৰ্কক আগুৱাই নিয়াৰ ক্ষেত্ৰত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰে। শ্ৰীমতী মুৰ্মুৰে সাংসদসকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি ভাৰত-পৰ্টুগাল সংসদীয় মৈত্ৰী গোটৰ সদস্যসকলৰ সৈতেও সাক্ষাৎ কৰে।

এই ভ্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত ৰাষ্ট্ৰপতিগৰাকী শ্লোভাকিয়ালৈ ৰাওনা হ'ব। অহা ৯ আৰু ১০ এপ্ৰিলত শ্লোভাকিয়াৰ দুদিনীয়া ভ্ৰমণসূচীত শ্ৰীমতী মুৰ্মুয়ে দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু ইজৰাইলৰ কৃষি মন্ত্ৰী অৱি দিখটেৰে আজি নতুন দিল্লীত কৃষি খণ্ডত দ্বিপাক্ষিক সহযোগিতা সম্পৰ্কীয় কেইবাখনো চুক্তিত স্বাক্ষৰ কৰে। বৈঠকত শ্ৰীচৌহানে কয়, যে ভাৰত আৰু ইজৰাইলৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা ক্ৰমাৎ বৃদ্ধি পাইছে। দুয়োখন ৰাষ্ট্ৰই কৃষি, উদ্ভাৱন, পানী আৰু প্ৰযুক্তি ক্ষেত্ৰত সহযোগিতাৰ উৎকৃষ্ট নিদৰ্শন আগবঢ়াইছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীচৌহানে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ক্ষুদ্ৰ কৃষকৰ বাবে খেতি অধিক লাভদায়ক কৰি তোলাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে।

পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীচৌহানে কয়, যে বৈঠকত অনাগত সময়ত খাদ্য সুৰক্ষা সম্পৰ্কীয় প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে ল'বলগীয়া কৌশল সম্পৰ্কে গঠনমূলক আলোচনা হয়। তেওঁ কয়, যে বৈঠকত বৰ্ধিত তাপমাত্ৰাতো অধিক উৎপাদন নিশ্চিত কৰাৰ উদ্দেশে জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ কম কৰিব পৰা বীজ বিকশাই তোলাত গুৰুত্ব আৰোপ কৰা হয়।

ooooo

কেন্দ্ৰীয় ইলেক্ট্ৰণিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বৈদ্যুতিন যন্ত্ৰাংশ উৎপাদন আঁচনিৰ অধিসূচনা আজি জাৰি কৰা হ'ব বুলি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সভাই বৈদ্যুতিন আহিলা-পাতিৰ যোগান

শৃংখলাৰ ক্ষেত্ৰত ভাৰতবৰ্ষক আত্ম-নিৰ্ভৰ কৰি তোলাৰ উদ্দেশ্যে ২২ হাজাৰ ৯১৯ কোটি টকাৰ পুঁজিৰে এই আঁচনি ৰূপায়ণৰ প্ৰস্তাৱত অনুমোদন জনাইছিল। নতুন দিল্লীত আঁচনিখন সন্দৰ্ভত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে কয়, যে অধিসূচনা জাৰি হোৱাৰ পাছত আঁচনিখনৰ ৰূপায়ণৰ বাবে নীতি-নিয়ম প্ৰস্তুত কৰাৰ উদ্দেশ্যে উদ্যোগ জগতৰ সৈতে আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। আঁচনিখনৰ অধীনত আবেদন লাভৰ বাবে কেই সপ্তাহমানৰ ভিতৰত এটা প'ৰ্টেল মুকলি কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে বিগত ১০ বছৰত দেশে বৈদ্যুতিন খণ্ডত উল্লেখযোগ্য বিকাশ লাভ কৰিছে। তেওঁ কয়, যে এই সময়ছোৱাত বৈদ্যুতিন আহিলা-পাতিৰ উৎপাদন ৫ গুণ আৰু ৰপ্তানি ৬ গুণ বৃদ্ধি পাইছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশক গোলকীয় সামুদ্ৰিক শক্তিৰূপে গঢ়ি তোলাৰ বাবে প্ৰয়াস চলাই আছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে ইয়াৰ বিশাল উপকূলভাগ আৰু কৌশলগত স্থিতিৰে সামুদ্ৰিক ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। শ্ৰীসোণোৱালে কোচিৰ ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় চৌহদৰ ছাত্ৰী নিবাস তথা পুথি ভঁৰাল ভৱনৰ আধাৰশিলা স্থাপন কৰি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে দেশৰ সমুদ্ৰ পথেৰে যাত্ৰা কৰা যাত্ৰীৰ সংখ্যা যোৱা বছৰ ৩ লাখ ১৭ হাজাৰলৈ বৃদ্ধি পাইছে। মন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয়ৰ ছটা চৌহদত ৬৮ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰা ভালেমান প্ৰকল্পও মুকলি কৰে।

০০০০০

৫ দিনীয়া ভ্ৰমণসূচীৰে অৰুণাচল প্ৰদেশলৈ অহা ষোড়শ বিত্ত আয়োগৰ এটা উচ্চ পৰ্য্যায়ৰ দলে আজি ইটানগৰত ৰাজ্য চৰকাৰ আৰু সংশ্লিষ্ট পক্ষসমূহৰ সৈতে এলানি বিশদ আলোচনাত মিলিত হয়। বৈঠকৰ অন্তত দলটোৰ জ্যেষ্ঠ সদস্য এনি জৰ্জ মেথিউৱে এখন সংবাদমেলত কয়, যে আয়োগে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰী, মুখ্য সচিব আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে পুংখানুপুংখ আলোচনাত মিলিত হয়। দলটোৰ নেতৃত্ব বহন কৰা শ্ৰীমতী মেথিউৱে কয়, যে আলোচনাত ৰাজ্যখনৰ বিত্তীয় স্থিতি প্ৰশাসনৰ সৈতে জড়িত বিভিন্ন বিষয় আৰু বিভিন্ন খণ্ডৰ উন্নয়ন সম্পৰ্কীয় বিষয়সমূহে স্থান লাভ কৰে। তেওঁ কয়, যে অৰুণাচল চৰকাৰে কেইবাটাও ঘাই দাবী সন্দৰ্ভত এখন বিশদ স্মাৰক পত্ৰ দাখিল কৰিছে। ইয়াৰে ভিতৰত সকলো ৰাজ্যৰ বাবে নিকা আৰু সন্তুলিত আবণ্টন সুনিশ্চিত কৰাৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অনুমোদন অনুসৰি কৰৰ উলম্ব হস্তান্তৰ বৰ্তমানৰ ৪১ শতাংশৰ পৰা ৪৭ শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱ অন্যতম।

০০০০০

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰই আৰোপ কৰা শুল্কৰ প্ৰতি সঁহাৰিৰ বিষয়টো সতৰ্কতাৰে বিশ্লেষণ কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰাৰ পূৰ্বে শুল্ক সম্পৰ্কীয় ঘটনাক্ৰমৰ বিশ্লেষণ কৰা উচিত। তেওঁ কয়, যে শুল্ক আৰোপৰ বিভিন্ন উদ্দেশ্য থাকে আৰু ইয়াৰ প্ৰভাৱ ভিন্ন হ'ব পাৰে। গতিকে অতিকে সতৰ্কতা আৰু বোধশক্তিৰে বিষয়টো বিশ্লেষণ কৰাটো প্ৰয়োজনীয়।

আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰাকৃতিক গেছ আৰু খাৰুৱা তেলৰ মূল্য হ্ৰাস সন্দৰ্ভত শ্ৰীপুৰীয়ে কয়, যে তেল বিপণন কোম্পানীসমূহৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ যথেষ্ট সম্ভাৱনা আছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ইডেন গাৰ্ডেনছত অনুষ্ঠিত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজৰ খেলখন আকৰ্ষণীয় পৰ্য্যায়ত উপনীত হৈছে। ২৩৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি কলকাতা নাইট ৰাইডাৰ্ছে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৮ অভাৰত ৭ টা উইকেট হেৰুৱাই ২০১ ৰাণ কৰি খেলি আছে। ইয়াৰ পূৰ্বে লক্ষ্ণৌৰ দলটোৱে প্ৰথমে বেট ধৰা আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেট হেৰুৱাই ২৩৮ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ নিকোলাছ পুৰানে ৩৬টা বলত ৮৭ ৰাণ কৰি অপৰাজিত হৈ থকাৰ লগতে মিশ্বেল মাৰ্ছে ৪৮টা বলত ৮১ ৰাণ কৰি আউট হয়। অপেনাৰ আইডেন মাৰ্কৰামে ৪৭ ৰাণৰ বৰঙণি আগবঢ়ায়।

ইপিনে, চণ্ডীগড়ৰ মহাৰাজা য়াদৱিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আজিৰ দ্বিতীয়খন খেলত পঞ্জাৱ কিংছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

জয়পুৰৰ এখন বিশেষ আদালতে ১৭ বছৰৰ পূৰ্বে জয়পুৰত সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণৰ সময়ত বোমা পোৱাৰ গোচৰ  সংক্ৰান্তত দোষী সাব্যস্ত হোৱা ৪ জন সন্ত্ৰাসবাদীক আজি যাবজ্জীৱন কাৰাদণ্ড বিহে। ন্যায়ালয়ে ৪ এপ্ৰিলত চফিউৰ ৰহমান, মহম্মদ ছৈফ, মহম্মদ চৰৱাৰ আজমী আৰু শ্বাহবাজ আহমেদ নামৰ এই সন্ত্ৰাসবাদী চাৰিজনক দোষী সাব্যস্ত কৰিছিল। ২০০৮ চনৰ ১৩ মে'ত জয়পুৰৰ চাৰদিৱাৰী এলেকাত সংঘটিত ৮ টা বিস্ফোৰণত ৭১ জন লোকে প্ৰাণ হেৰুৱাইছিল আৰু ১৮৫ জন আহত হৈছিল।

০০০০০

সমাপ্ত